# বিজ্ঞাপন

ই নং ১৬৮১৪৬

অসম চৰকাৰৰ অধিসূচনা নং আৰ.এল.আৰ ১৮৭/২০০৭/৩১, দিনাংক ১০/০৪/২০১৮, আৰ.এল.আৰ ১৮৭/২০০৭/অংশ/২৪, দিনাংক- ১৯/০৭/২০১৯ আৰু আৰ.এল.আৰ. ৭৩/২০২০/৩, দিনাংক ২৬/০৮/২০২১ আৰু ই.চি.এফ নং ৪৫৮৪১২/১০৪ তাৰিখ ১১/১০/২০২৪, অনুযায়ী শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি সম জিলাৰ অন্তৰ্গত ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অধীনত বৰ্তমান খালী হৈ থকা মুঠ ৪টা নিম্নলিখিত গাঁওপ্ৰধান পদত নিযুক্তি দিবৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদনপত্ৰ বিচৰা হৈছে।

| ক্ৰঃ নংঃ | জিলাৰ নাম | সম জিলাৰ নাম | ৰাজহ চক্ৰৰ নাম | মৌজা | গাঁৱৰ নাম | লাট নং |
|---|---|---|---|---|---|---|
| ১ | শোণিতপুৰ | ঢেকিয়াজুলি | ঢেকিয়াজুলি | ঢেকিয়াজুলি | চপাই ৰৌমাৰী পথাৰ, হুগ্ৰাজুলী চাহ বাগিচা, মাজগাঁও পথাৰ, মাজ বালিগাঁও | ০১ |
| ২ | শোণিতপুৰ | ঢেকিয়াজুলি | ঢেকিয়াজুলি | বৰছলা | চিৰিঙমাৰী বঙ্গালী, ভৈৰাগুৰি পথাৰ | ০৪ |
| ৩ | শোণিতপুৰ | ঢেকিয়াজুলি | ঢেকিয়াজুলি | বৰছলা | বৰঝাৰ | ০৬ |
| ৪ | শোণিতপুৰ | ঢেকিয়াজুলি | ঢেকিয়াজুলি | বৰছলা | ভালুকধৰা, ৰতনজুলি, বালিসিহা গাঁও | ২৪ |

**প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা**

১) আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাঁৱৰ অথবা গাঁওপ্ৰধান লাটৰ গাঁওসমূহৰ ভিতৰত স্থায়ী বাসিন্দা হ'ব লাগিব।

২) আবেদনকাৰীৰ বয়স ০১/০১/২০২৬ তাৰিখত ন্যূনতম ৩০ বছৰৰ কম হ'ব নোৱাৰিব আৰু ৬৫ বছৰ বয়সলৈকে কাম কৰিব পাৰিব।

৩) আবেদনকাৰীৰ শিক্ষাগত অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC) বা সমপৰ্যায়ৰ অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড/প্ৰতিষ্ঠানৰ পৰা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

৪) আবেদনকাৰীৰ ২ (দুই) টাতকৈ অধিক জীৱিত সন্তান থাকিব নালাগিব। (এই চৰ্ত চৰকাৰী অধিসূচনা নং আৰ.এল.আৰ১৮৭/২০০৭/অংশ/২৪, দিনাংক ১৯/০৭/২০১৯ কাৰ্যকৰী হোৱাৰ পূৰ্বৰ পিতৃ-মাতৃৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। আবেদনকাৰীয়ে এইক্ষেত্ৰত ২ (দুই)টাতকৈ অধিক জীৱিত সন্তান নাই বুলি আবেদনপত্ৰৰ লগত শপতনামা দাখিল কৰিব লাগিব।

৫) আবেদনকাৰী শাৰীৰিকভাৱে সক্ষম আৰু সুস্থ মস্তিস্কৰ অধিকাৰী হ'ব লাগিব।

৬) আবেদনকাৰী আৰ্থিকভাৱে দেউলীয়া আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নালাগিব।

৭) গাঁওপ্ৰধান পৰিয়ালৰ প্ৰাৰ্থীক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব আৰু এইক্ষেত্ৰত মৌজাদাৰৰ মতামতৰ ওপৰত বিবেচনা কৰা হ'ব।

৮) আবেদনকাৰী চৰকাৰী চাকৰিয়াল হ'ব নোৱাৰিব লগতে আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নোৱাৰিব।

৯) আবেদনকাৰীয়ে গাঁওপ্ৰধান হিচাপে নিযুক্তি বিচৰা অঞ্চলত আবেদনকাৰীৰ নিজ নামত ভূমি/স্থাৱৰ সম্পত্তি থাকিব লাগিব।

১০) আবেদনকাৰীয়ে চৰকাৰী নীতি আৰু কাৰ্যসূচী ৰূপায়ণ কৰাত আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত স্বেচ্ছামূলক সহযোগিতা আগবঢ়োৱা হ'ব লাগিব।

১১) আবেদনকাৰী উচ্চ মৰ্যাদাসম্পন্ন দক্ষ আৰু সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হ'ব লাগিব।

**ইচ্ছুক আবেদনকাৰীয়ে অসম গেজেট (অংশ-৯) STANDARD FORM OF APPLICATION মতে আবেদন কৰিব লাগিব আৰু প্ৰমাণপত্ৰসমূহৰ ফটোকপি আবেদনপত্ৰৰ লগত দাখিল কৰিব লাগিব।**

➢ শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

➢ বয়সৰ প্ৰমাণপত্ৰ Birth Certificate/ HSLC Admit Card or Pass Certificate দখিল কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন কৰা গাঁৱৰ লাট নং আৰু গাঁৱৰ নাম শুদ্ধকৈ উল্লেখ কৰিব লাগিব।

➢ নিজ নামত থকা মাটিৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

➢ সামাজিক কামৰ অভিজ্ঞতাৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

➢ গাঁওপ্ৰধান পৰিয়ালৰ আবেদনকাৰীয়ে মৌজাদাৰৰ মতামতৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

➢ বাকীজাঁই ঋণমুক্ত প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

➢ আবেদনকাৰীয়ে নিজৰ ২ (দুই) কপি (Recent Passport size) ফটো দাখিল কৰিব লাগিব। আবেদনকাৰীয়ে ২ (দুই)টাতকৈ বেছি সন্তান নথকাৰ শপতনামা দাখিল কৰিব লাগিব।

ওপৰত উল্লেখ কৰা অৰ্হতাসমূহ বাধ্যতামূলক আৰু আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণপত্ৰসমূহ যদি ভুৱা বুলি প্ৰমাণিত হয়, তেন্তে তেখেতসকলৰ প্ৰাৰ্থিত্ব নাকচ কৰা হ'ব। আবেদনকাৰীয়ে ইংৰাজী ০৯/০২/২০২৬ তাৰিখৰ চৰকাৰী সময় বিয়লি ৫.০০ বজাৰ ভিতৰত সম জিলা আয়ুক্ত, ঢেকিয়াজুলিৰ কাৰ্যালয়ত আবেদন দাখিল কৰিব পাৰিব।

**স্বাক্ষৰ/- সম জিলা আয়ুক্ত**

**DIPR/D/AT/3424/23-Jan-26** **ঢেকিয়াজুলি সম জিলা**